## আফকেজ টেন উপন্যাসৰ চৰিত্ৰাংকন

সফল উপন্যাসত কাহিনী আৰু চৰিত্ৰ দুয়োটাকে সমানে গুৰুত্ব দিয়া হয়। আফ্‌কেজ টেন উপন্যাসতো দুয়োটা উপাদানে সমানেই প্ৰাধান্য পাইছে। বয়স অনুসৰি ভিন্ন ৰুচিৰ আৰু ভিন্ন মানসিকতাৰ চৰিত্ৰবোৰ উপস্থাপন কৰাত ঔপন্যাসিকৰ দক্ষতা প্ৰকাশ পাইছে। উপনাসখনৰ কাহিনীত বৰ্ণনা কৰা বিভিন্ন ঘটনাত বয়স অনুসৰি চৰিত্ৰবোৰৰ বেলেগ বেলেগ অভিব্যক্তি প্ৰকাশ পাইছে। চৰিত্ৰবোৰৰ বয়স অনুসৰি ভিন্ন মানসিকতা প্ৰকাশ কৰিবৰ বাবেই ঘটনাবোৰ উপস্থাপন কৰা যেন লাগে। অথচ্‌ উপন্যাসখনৰ কাহিনী এনে নিটোল ৰূপত খাপ খুৱাই তুলিছে যে ইয়াত চৰিত্ৰৰ প্ৰয়োজনত ঘটনা আমদানি কৰা যেন নালাগে। তথাপিও চৰিত্ৰৰ প্ৰতি অধিক গুৰুত্ব দিয়া বাবে উপন্যাসখনক চৰিত্ৰপ্ৰধান উপন্যাস বুলিব পাৰি। উপন্যাসখনত ভিন্ন বয়স অনুসৰি প্ৰকাশ পোৱা চৰিত্ৰবোৰৰ ভিন্ন মানসিকতাৰ এক বিশ্লেষণ দাঙি ধৰিবলৈ যত্ন কৰা হ'ল।

**মাৰ্টিনঃ**

ঘৰখনৰ মুল ব্যক্তি মাৰ্টিনে পৰিয়ালটো চলাবলৈ আনৰ ঘৰত ঋতুকালীন শ্ৰমিক হিচাপে হাজিৰা কৰে। ঘৰখন পোহপাল দিবলৈ মাৰ্টিনে যিদৰে পৰিশ্ৰমৰ ত্ৰুটি নকৰে, সেইদৰে ল'ৰা-ছোৱালীক পিতৃত্বৰ মৰমেৰে অনুশাসন কৰে। সেয়ে জেট্‌ছেই স্কুলত শাস্তি পাই দেৰিকৈ ঘৰলৈ আহিবলগীয়া হোৱা বাবে দেউতাকৰ ওচৰত জবাবদিহি হ'ব লাগিব বুলি ভয় কৰিছে। দেউতাক হিচাপে মাৰ্টিনে দিনটোত পুতেকহঁতে কি কি কাম কৰিলে গধূলি তাৰ খতিয়ান লয়। কোনোবাই দুষ্ট কাম কৰিলে সঁকিয়নি দিয়ে। মাকৰ এটা সন্তান জন্ম হোৱাৰ বাতৰি জনাই নগৰত থকা জীয়েক আৰু সৈন্যবাহিনীত থকা পুতেকলৈ চিঠি দি দেউতাকৰ দায়িত্ব পালন কৰিছে। নাও ভ্ৰমণলৈ যাওঁতে মাৰ্টিনে অভিভাৱকৰ গাম্ভীৰ্যৰে সকলোকে অনুশাসন কৰি এজন সফল দেউতাকৰ দায়িত্ব পালন কৰিছে। পুতেক-জীয়েকহঁতক নাৱত পাল তৰা, পালত বতাহে কেতিয়া ধৰে আদি প্ৰকৃতিৰ নিয়মবোৰ বুজাই দিছে। বিলৰ মাজৰ দ্বীপটোত উৎপতীয়া পুতেকহঁতে বনৰীয়া ঘোঁৰাৰে খেলি বিপদ চপাই আনোতেও মাৰ্টিনে ক্লাঝ, জেট্‌ছেক শাস্তি দিয়াৰ সলনি পিতৃত্বসুলভ অনুশাসনেৰে কথাবোৰ ভালদৰে বুজাই দিছে, ভুলবোৰ দেখুৱাই দিছে, ভৱিষ্যতে তেনে নকৰিবলৈ সঁকিয়াই দিছে। নৌকা ভ্ৰমণেৰে আনন্দ কৰিবলৈ যোৱা সন্তানহঁতক যদি দবিয়াই-মৰিয়াই শাসন কৰে তেন্তে তেওঁলোকে আনন্দৰ সলনি বেজাৰহে পাব বুলি মাৰ্টিনে উপলব্ধি কৰিছে, সেয়ে জেট্‌ছেয়ে নিজৰ ভুলৰ বাবেই দেউতাকে ইমান শাস্তি খালে বুলি অনুশোচনা কৰি তাক মাৰিবৰ বাবে পিঠি পাতি দিওঁতে দেউতাকে মৰমেৰে দুচকা দি গোটেই গোমা পৰিবেশটো পুনৰ আনন্দময় কৰি তুলিছে। ল'ৰা-ছোৱালীৰ জঞ্জাল সহিব পৰা দেউতাক মাৰ্টিন চৰিত্ৰটোৰ যোগেদি ঔপন্যাসিকে দেখুৱাইছে যে খঙতকৈ মৰমেৰে সন্তানক শাসন কৰিলে অধিক সফল হ'ব পাৰি। মাৰ্টিনৰ মৰমিয়াল অন্তৰখনৰ কথা কবলৈ গৈ ঔপন্যাসিকে নাও ভ্ৰমণৰ পৰা ঘূৰি আহোঁতে বেলেঘ নাও যাত্ৰীয়ে দিয়া খোৱা বস্তুবোৰ ল'ৰাহঁতে নিজে নাখাই মাকলৈ সাঁচি লোৱা প্ৰসঙ্গত লিখিছে - ' কামটো বাপেকৰ মৰমিয়াল অন্তৰে নসহিলে। ভাবি চালে, সেয়া চৰাই পোৱালিৰ মুখৰ আগত লোভলগা টোপ এটা দি আঁতৰাই নিয়াৰ নিচিনা হ'লগৈ। গতিকে বাপেক মাৰ্টিনে জলপানৰ বাকচটো মেলি প্ৰত্যেকৰে মুখত একোটাকৈ লজেন্স গুজি দিলে আৰু হাতে-হাতে একোটাকৈ পপ্‌-বিস্কুট তুলি দিলে।. . . '(পৃ- ১০৬) দৰিদ্ৰতাৰ বাবে মাৰ্টিনে পত্নীক এসাজ ভাল কাপোৰ, ল'ৰা-ছোৱালীক বৰদিনত পিন্ধিবৰ বাবে এযোৰ সাজ আনি দিব নোৱাৰি অসহায় প্ৰকাশ কৰিছে। আফ্‌কেই নিজৰ পোন্ধৰ বছৰ সাঁচতীয়া গাউন যোৰ কাটি চিস্কি আৰু বুক্‌জিৰ বাবে ফ্ৰক চিলাওঁতে মাৰ্টিনৰ এই অসহায়তা অধিক প্ৰকট হৈ পৰিছে।

**আফ্‌কে ঃ**

উপন্যাসখনৰ শিৰোনামৰ চৰিত্ৰ আফ্‌কে হৈছে মূল তথা কেন্দ্ৰীয় চৰিত্ৰ। আফ্‌কেক কেন্দ্ৰ কৰিয়েই বাকীবোৰ চৰিত্ৰ কাহিনীৰ পৰিধিত আৱৰ্তিত হৈছে। মাৰ্টিনক পত্নীৰ মৰমেৰে আৰু দহোটা সন্তানক মাতৃত্বৰ মৰমেৰে পৰিয়ালৰ সদস্যবোৰকে একত্ৰিত কৰি ৰখা নাই, যেন উপন্যাসখনৰ চৰিত্ৰবোৰক দৃঢ়বদ্ধতা প্ৰদান কৰিছে। দহ নম্বৰ সন্তানটো প্ৰসৱ কৰাৰ পাছত আগেয়ে ল'ৰা-ছোৱালীৰ মাক হৈ নোপোৱাৰ নিচিনা আচৰণ কৰিছে, সদ্যজাত কেচুঁৱাৰ অপত্য স্নেহত বুৰ গৈছে। ইয়াতেই প্ৰকাশ পাইছে আফ্‌কেৰ মাতৃত্বৰ মমতা। তথাপিও নতুন কেচুঁৱা জন্ম হ'ল বুলি আগৰবোৰলৈ চেনেহ কমি যোৱা নাই। প্ৰসৱ যন্ত্ৰণাৰ মাজতো উৎপতীয়া ক্লাঝক ওচৰলৈ মাতি আনি মৰম কৰিছে। সকলো সন্তানৰ প্ৰতি সমান চেনেহ প্ৰত্যেক মাতৃৰ সাৰ্বজনীন বৈশিষ্ট্য। কেচুৱা জন্ম হোৱাৰ গম পাই ভিতৰলৈ অহা এমা-ডিমা বাকী সন্তানবোৰৰ বাবে প্ৰসৱ যন্ত্ৰণাৰ মাজতো পিঠা যোগাৰ কৰি ৰাখিছে আৰু সকলোকে সমানে ভগাই দিছে। কেৱল সন্তানৰ সুখৰ কাৰণে চিন্তা কৰা আফ্‌কেই নিজৰ কষ্টৰ কথা কাকো নকয়। নিজে কষ্ট কৰি যিখিনি পায়, সেইখিনি ইমান মখা ল'ৰা-ছোৱালীৰ কাপোৰ-কানি, জোতা-মোজা আৰু ইটো-সিটো কিনোতেই যায়। সহিব নোৱাৰা প্ৰচণ্ড ঠাণ্ডাত নিজৰ বাবে এটা সাধাৰণ গৰম কাপোৰ নোপোৱা বাবেও অকণো ক্ষোভ কৰা নাই।

আফ্‌কেৰ চৰিত্ৰত আছে মাতৃৰ সহনশীলতা। উৎপতীয়া ক্লাঝ আৰু জেট্‌ছে দুষ্টালি কৰিলেও কোনোদিনে বিৰক্তি প্ৰকাশ কৰা নাই। তাৰ পৰিৱৰ্তে মাতৃত্বৰ মৰমেৰে সিহঁতক বশ কৰিছে। প্ৰতিটো সন্তানকে বয়স অনুসৰি কাম শিকাইছে।

প্ৰত্যেক মাকেই গধূলি সন্তানকেইটা ঘৰলৈ উভতি অহালৈ বাট চাই থাকে। সন্তানে মাকলৈ কিবা বস্তু অনাতকৈ সন্তানবোৰ সুস্থ শৰীৰে ঘৰলৈ অহাটোহে কামনা কৰে। সেয়ে জেট্‌ছে মাকৰ বাবে গধূলি খৰি অনাত যিমান আনন্দ পাইছে, তাতকৈ বেছি আনন্দ পাইছে সি যথাসময়ত ঘৰ আহি সোমোৱাত।

উইবি নামৰ ভায়েকটোৱে নতুন কেঁচুৱাটোক ভয়ংকৰ ধেমালিৰে অত্যাচাৰ কৰাৰপৰা ক্লাঝে ৰক্ষা কৰাৰ কথা নাজানি আফ্‌কেই ক্লাঝকে জগৰীয়া বুলি ভাবি শাস্তি দিয়ে যদিও পিছত তাৰো ঠেঁহ ভাঙিবলৈ যত্ন কৰিছে। ল'ৰা-ছোৱালীৰ এই জঞ্জালবোৰৰ বাবে আফ্‌কেই কেতিয়াও বিৰক্তিবোধ কৰা নাই। যিকোনো কষ্টৰ
বিনিময়ত সেইবোৰ শৃংখলা লগাবলৈ যত্ন কৰা পৰিলক্ষিত হৈছে। যেতিয়া আফ্‌কে আচল কথাটো জানিলে, তেতিয়া ক্লাঝক এনেয়ে মৰা হ'ল বুলি বুজিব পাৰি তাক দুখ নকৰিবলৈ কৈ মৰম কৰিছে। মাকৰ বাবে এপ্ৰ'ণটো ক্লাঝে অনা বুলি গম পাই আফ্‌কে প্ৰথমতে সি চুৰ কৰা বুলি আশংকা কৰি মাকৰ সংস্কাৰ তথা নৈতিক দায়িত্ববোধৰ পৰিচয় দিছে । পুতেকে মেণ্ডোলিন কিনিবলৈ সাঁচি থোৱা টকাৰে মাকৰ বাবে এপ্ৰ'ণ কিনাৰ কথা জানি পুতেকৰ ত্যাগৰ মহত্ব উপলব্ধি কৰিছে - 'মাকবোৰেই গম পায়, ল'ৰা-ছোৱালীৰ মনৰ খবৰ!' (পৃ. ৩৬) পুতেকৰ মৰমত আপ্লুত আফ্‌কেই তাক মূৰৰ চুলিৰ সমান আয়ুস হ'বলৈ আৰ্শীবাদ দিছে বুকুৰ মাজলৈ টানি নি দুয়োগালে চুমা দি মনৰ আনন্দ প্ৰকাশ কৰিছে আৰু সান্ত্বনা লভিছে।

দৰিদ্ৰপীড়িত অৱস্থাৰ বাবে আফ্‌কে কেতিয়াও ভাগ্যক দোষ দি বহি থকা নাই বা দৰিদ্ৰতাৰ ওচৰত হাৰ মনা নাই। নতুনকৈ জন্ম হ'ব লগা কেঁচুৱাটো শুৱাবৰ বাবে ফটা কাপোৰৰ এখন তলিয়ৰি তলিচা নিজ হাতেৰে সী লৈছে। অকণমান আজৰি সময় পাইে প্ৰসূতি গাৰেই ল'ৰা-ছোৱালীৰ ফটা কাপোৰবোৰ তাপলি মাৰে।

ল'ৰা-ছোৱালীৰ জঞ্জাল, দৰিদ্ৰতা আদিৰ মাজতো আফ্‌কেই এগৰাকী মাতৃৰ সকলো দায়িত্ব যোল্ল অনাই পালন কৰিছে। দুপৰীয়া পৰিয়ালৰ সদস্যসকল ঘৰলৈ অহাৰ সময়ত সকলোৰে বাবে আহাৰ সাজু কৰি ৰাখিছে, সকলোকে সমানে ভগাই দি আনন্দ লভিছে। লগতে দেওবৰীয়া ছুটিৰ দিনটো সকলোৱে যাতে আনন্দমনেৰে কটাব পাৰে, তাৰ বাবে আগদিনাই দিহা লগাই থৈ শৃঙ্খলাবদ্ধতাৰ পৰিচয় দিছে। ঔপন্যাসিকে এটা পৰিয়ালত থাকিব লগা

আদৰ্শ, নৈতিকতা, দায়িত্ববোধ, কৰ্তব্য পৰায়ণতা আদি সকলোবোৰ সন্তুলিত ৰূপত উপস্থাপন কৰি সামাজিক সচেতনতাৰ পৰিচয় দিছে।

যেতিয়ালৈকে সন্তানে নিজৰ দায়িত্ব বুজি নাপায়, তেতিয়ালৈকে মাকবোৰে নিজৰ তত্বাবধানৰ পৰা আঁতৰাই পঠাব নিবিচাৰে, যথাসময়ত ঘৰলৈ ঘূৰি নাহিলে প্ৰত্যেক মাকেই চিন্তিত হয়। মাতৃ হৃদয়ৰ এই বিশ্বজনীনতা আফ্‌কেৰ চৰিত্ৰত প্ৰকাশ পাইছে। চিস্কি আৰু বুক্‌জিক উইপ্‌কিয়ে নগৰলৈ লৈ যাব খোজোতে মাক আফ্‌কে আপত্তি কৰিছে। কাৰণ ইমান দূৰ খোজকাঢ়ি যাবলৈ সৰু ছোৱালীদুজনীয়ে কষ্ট পাব। মাৰ্টিন আৰু উইপ্‌কিয়ে বুজনি দিয়াতো মাকে ভাল কাপোৰ নাই, জোতা নাই আদি বিভিন্ন অজুহাত দেখুৱাইছে। উইবি নামৰ কেঁচুৱাটো হেৰাওঁতে আফ্‌কেৰ মানসিক অৱস্থাই মাতৃহৃদয়ৰ স্বৰূপ প্ৰতিফলিত কৰিছে।

গোটেই জীৱনটো আনৰ জঞ্জাল মাৰি ফুৰা আফ্‌কেই নিজৰ কথা ভাবিবলৈ আহৰিয়েই নাপালে। 'চিৰকাল ধৰি এজনী মাক হৈ তেওঁ সেইবোৰৰ গোটেইটো গাগৰি আনৰ ওপৰত উবুৰিয়াই উজাৰ কৰি দিলে।'(পৃ- ৭০) আনৰপৰা অকণমান সহানুভূতি, সান্ত্বনা, আলপৈচান কামনা কৰা আফ্‌কেই সেয়েহে মিতিনিয়েকৰ আলপৈচানত জীৱনত নোপোৱা সুখ লাভ কৰিছে।ডাঙৰ সন্তানলৈ সকলো মাকৰে এক সুকীয়া মৰম থাকে। যদি সেই সন্তান চাকৰিয়াল হয় তেতিয়া আৰু কথা নাই। আফ্‌কেৰ বৰপুতেক ৰাট্‌ছেয়ে চিপাহী কাম কৰে বাবে মাকৰ তাক লৈ গৌৰৱৰ সীমা নাই। সি যেতিয়া ঘৰ আহে, মাকে সকলো দুখ-যন্ত্ৰণা পাহৰি যায়। সেইদৰে কেতিয়াবা খঙত সন্তানক খেঁজালিলেও অলপ পাছতে সিঁহতক বেছিকৈ মৰা হ'ল বা দুখ পালে বুলি অনুতপ্ত হৈ মৰমেৰে সাৱটি লোৱা মাতৃত্বৰ গুণবোৰ আফ্‌কেৰ চৰিত্ৰত দেখিবলৈ পোৱা যায়।

আফ্‌কেৰ চৰিত্ৰৰ মাতৃত্বৰ মমতাময়ী গুণবোৰৰ প্ৰতিচ্ছবি দেখিবলৈ পোৱা যায় উপন্যাসখনৰ শেষৰ অধ্যায়ত। ঘৰৰ মানুহবোৰ নৌকা ভ্ৰমণৰ পৰা উভতি অহালৈ আগ্ৰহেৰে বাট চাইছে। জাৰত আহিব বাবে ঘৰখনত জুই ধৰি উমাল কৰি ৰাখিছে, সকলোৱে আহি খাব পৰাকৈ লুঠুৰি পিঠা যতনাই ৰাখিছে। ঘূৰি আহোঁতে পলম হোৱা বাবে তাই কেচুঁৱা দুটা ঘৰত শুৱাই কেইবাবাৰো বৰখাৰৈটোৰ পাৰলৈ অহা-যোৱা কৰিছে, সময়ক বাধা দিব নোৱাৰি চলি থকা ঘড়ীটোলৈকে খং কৰিছে। গাঁৱৰ মুখৰোচক তিৰোতাবোৰে সিঁহত ঘূৰি নহাক লৈ বিভিন্ন আপদীয়া কথা পতা বাবে মনলৈ অহা বিভিন্ন কু-আশংকাবোৰ সাহসেৰে আঁতৰাই ৰাখিবলৈ যত্ন কৰিছে। সিঁহতে ক'ৰবাত কিবা দুৰ্ঘটনাৰ বিষয়ে শুনিছে নেকি তাক সাহসেৰে সুধিছে। আন্ধাৰৰ হোৱাৰ পাছতো নাও-বঙলালৈ অকলে গৈ ঘৰৰ যাত্ৰীসকলৰ খবৰ কৰিছেগৈ। এইখিনি আফ্‌কেৰ চৰিত্ৰৰ এটা সুকীয়া দিশ দেখিবলৈ পোৱা যায় - ডাঙৰ পুতেক ৰাট্‌ছেই চিপাহী কৰা বাবে মাক আফ্‌কে গৌৰৱবোধ কৰে। নাও-বঙলাৰ গৰাকীয়ে চিপাহী পুতেকৰ কথা কওঁতে সেই দুশ্চিন্তাৰ মাজতো তাই আনন্দিত হৈছিল। আফ্‌কেৰ দুশ্চিন্তাৰ ওৰ পেলাই যেতিয়া পৰিয়ালটো নিৰ্বিঘ্নে ঘূৰি আহি পালেহি তেতিয়া তাইৰ আনন্দ ৰয়নাৰে চপাব নোৱাৰা হৈছে। ঘৰত সকলোকে তপত পিঠা খুৱাই আনন্দ লভিছে। দিনটোৰ ঘটনা শুনি গাটো জিকাৰ মাৰি উঠিছে আৰু নিজে যোৱাহ'লে তেনে হ'বলৈ নাপালেহেঁতেন বুলি মন্তব্য কৰিছে। নিজতকৈ সন্তানক খুওৱা-পিন্ধোৱাতে মাক-দেউতাকৰ আনন্দ। নিজৰ পোন্ধৰ বছৰ সাঁচতীয়া একমাত্ৰ গাউনযোৰ কাটি আফ্‌কেই সৰু জীয়েক দুজনীৰ বাবে ফ্ৰক চিলাই বৰদিনত পিন্ধিবৰ বাবে যোগাৰ কৰিছে। ইয়াত প্ৰকাশ পাইছে সন্তানৰ বাবে মাকৰ ত্যাগ।

**ৰাট্‌ছেঃ**

উপন্যাসখনৰ শেষৰফালে ৰাট্‌ছে চৰিত্ৰটো উপস্থাপন কৰিছে। আফ্‌কে আৰু মাৰ্টিনৰ ডাঙৰ সন্তান ৰাট্‌ছে চিপাহী কাম কৰে। কামৰপৰা ঘৰলৈ আঁহোতে সি ঘৰখনৰ প্ৰতি তীব্ৰ আকৰ্ষণ অনুভৱ কৰে। ঘৰলৈ আঁহোতে ভনীয়েক চিস্কি আৰু বুক্‌জিয়ে বাটৰ পৰা আগবঢ়াই অনা কাৰ্যত আনন্দ অনুভৱ কৰে। সি ভনীয়েকহঁতৰ আব্‌দাৰ কৰাটো বিচাৰে। ঘৰৰ সকলোকে হিয়া উবুৰিয়াই মৰম শ্ৰদ্ধা কৰা ৰাট্‌ছেই চিপাহী কামত লাভ কৰা বিভিন্ন অভিজ্ঞতাবোৰ

সকলোকে কৈ আনন্দ লাভ কৰে। ছুটিৰ দিনকেইটা ঘৰৰ সদস্যসকলৰ লগত কটাই আনন্দ ল'বলৈ বিচাৰে। সেয়েহে নাৱত উঠি ফুৰিবলৈ সকলোকে লগ ধৰিছে। বিলৰ মাজত যেতিয়া নাওখন বতাহে ঘূৰাই তৰাং পানীৰ তলত থকা পলসত সোমালগৈ তেতিয়া ৰাট্‌ছেই বাকীবোৰক ভয় নাখাবলৈ সাহস দিছে। ৰাট্‌ছেৰ উপস্থিত বুদ্ধি আৰু সাহস এই ঘটনাত প্ৰকাশ পাইছে। ঘৰলৈ ঘূৰি অহাৰ পাছত মাকক  বিভিন্ন কথা কৈ জোকাইছে, ধেমালি কৰিছে য'ত তাৰ ধেমেলীয়া স্বভাৱ ফুটি উঠিছে। মাকৰ অভাৱ দূৰ কৰিবলৈ সি চিপাহী কামৰ পৰা ঘূৰি আহি বহুত কষ্ট কৰিব বুলি সংকল্প কৰিছে।

**উইপ্‌কিঃ**

আফ্‌কেৰ দ্বিতীয় সন্তান উইপ্‌কি নগৰৰ ধনী মানুহৰ ঘৰত আলধৰা লিগিৰী হিচাপে কাম কৰে। উপন্যাসখনত উইপ্‌কিক প্ৰথম লগ পাওঁ ক্লাঝে মাকৰ বাবে বজাৰৰ পৰা এপ্ৰ'ন কিনিবৰ বাবে লগ ধৰোঁতে। মাকৰ বাবে নিজৰ টকাৰে এপ্ৰ'ণ কিনি নি আচৰিত কৰি দিয়াৰ উচ্চাসত ক্লাঝে বায়েকক খৰধৰ কৰিবলৈ কওঁতে তাইৰ গাম্ভীৰ্যপূৰ্ণ কথা, তাইৰ গৰাকিনীক সুধিহে ভায়েকৰ লগত যাবলৈ ওলোৱা কাৰ্যই দায়িত্বশীলতাৰ পৰিচয় দিছে। লগতে উইপ্‌কিয়ে প্ৰথম মাকৰ স্বাস্থ্যৰ বিষয়ে খবৰ কৰা কথাই উইপ্‌কিৰ মাতৃপ্ৰীতি প্ৰকাশ পাইছে। ভায়েকে মাক জাৰত কষ্ট পোৱাৰ বিষয়ে কওঁতে তাইৰ চকুলো ওলোৱা কাৰ্যই মাকৰ প্ৰতি থকা আন্তৰিকতাৰ দিশক প্ৰকাশ কৰিছে। দেওবৰীয়া ছুটিত ঘৰলৈ আহি তাই ঘৰখনৰ কামবোৰ নিয়াৰিকৈ কৰি মাকৰ কামৰ বোজা পাতলাইছে। মাকে যাতে ঠাণ্ডাত থাকিবলগা নহয় তাৰেবাবে তাই সাঁচতীয়া পইচাৰে ভায়েকক কয়লা কিনি আনিবলৈ পঠাইছে। মাক শুই থাকোতেই তাই সকলোৰে বাবে আহাৰ ৰান্ধিবলৈ আৰম্ভ কৰিছে। তাই থকা নগৰৰ মানুহঘৰে নোখোৱা, পেলাই দিবলৈ দিয়া হাঁহৰ ছালখন ঘৰলৈ আনি কুটি-বাচি ধুনীয়াকৈ ৰান্ধি সকলোকে তৃপ্তিৰে খোৱাই আনন্দ লভিছে। ঔপন্যাসিকে চৰিত্ৰটো অতি দায়িত্ববোধ সম্পন্ন ৰূপত অঙ্কন কৰিছে। নগৰৰ পৰা আঁহোতে সকলোৰে বাবে সামৰ্থ্য অনুসৰি এপদকৈ হ'লেও বস্তু আনিছে ।

**ক্লাঝঃ**

বাহিৰত দুষ্ট, কিন্তু মাকৰ প্ৰতি অতি দৰদী। '. . তাৰ কাৰণে যেন মাকেই গোটেইখন জগত। . . .' (পৃ. ৯)। মাকক নেদেখিলে সি থাকিবই নোৱাৰে। সেয়ে ধাই ছাপ্‌কেই বাধা কৰা স্বত্বেও সি মাক শুই থকা বুলি গম পাই কিবা হৈছে বুলি চাই যাবলৈ নেৰানেপেৰাকৈ লাগিছে। মাকৰ কষ্ট হৈছে বুলি জানি তাৰ চকুপানী ওলাই আহিছে। মাকক সান্ত্বনা দিবলৈ সি দুটামান চুমা দিছে। প্ৰসৱ যন্ত্ৰণা বুজি নোপোৱা ক্লাঝৰ এই সৰলতাত শিশু মনস্তত্ব প্ৰকাশ পাইছে। দহ বছৰীয়া ক্লাঝ লগৰ ল'ৰাৰ লগত কাজিয়া কৰাত পাকৈত, অতি অঘাইতং। সি মাকৰ বাবে কিবা এটা কৰিবলৈ পালে বৰ আনন্দ পায়। কাৰণ সৰু ল'ৰাক যেতিয়া কোনো কামৰ দায়িত্ব দিয়া হয় তাক ডাঙৰৰ মৰ্যদা দিয়া বুলি অনুভৱ কৰে আৰু সেই দায়িত্ব যিকোনো প্ৰকাৰে পালন কৰিবলৈ যত্ন কৰে। ক্লাঝৰ মাজত এই বৈশিষ্ট্য সম্পূৰ্ণৰূপে প্ৰতিফলিত কৰাত ঔপন্যাসিক সফল হৈছে। শিশুসুলভ দুষ্টালি থাকিলেও এই চৰিত্ৰটোক মাকৰ অত্যন্ত বাধ্য ৰূপত অংকন কৰি এটা নৈতিক আদৰ্শ দাঙি ধৰিছে। মাকৰ কথামতে সি গাঁৱত তেল বেচাৰ কাম কৰি দৰিদ্ৰ ঘৰখনক আৰ্থিক সকাহ দিয়াত নিজকে নিয়োজিত কৰিছে। তেল বেচি পোৱা লাভৰ টকাই প্ৰতি দহ পইচাকৈ মাকে তাক চেনিগুটি খাবলৈ দিছিল। ক্লাঝে চেনিগুটি নাখাই সেই পইচা মেণ্ডোলীন এখন ল'বলৈ সাঁচি ৰাখিছিল। কিন্তু মাকৰ কষ্ট দেখি সি দেওবৰীয়া বজাৰলৈ গৈ মাকৰ বাবে এটা গৰম এপ্ৰ'ণ আৰু দেউতাকৰ বাবে এটা ধপাত খোৱা পাইপ কিনি আনি মানসিক শান্তি লভিছে। সেইদৰে কাপোৰ কিনি লৈ সি মাকক দিবলৈ উন্মাদ হৈ পৰিছে, আনকি এপ্ৰ'ণটো চিলাই নিয়াৰ কথাও পাহৰি গৈছে। কাৰণ তাৰ উপাৰ্জনেৰে মাকৰ বাবে এটা প্ৰয়োজনীয় বস্তু কিনিছে আৰু তাৰ বাবে সি এটা ডাঙৰ ত্যাগ কৰিছে। মাকে তাক ভাল ল'ৰা বুলি প্ৰশংসা কৰাৰ কথা ভাবি সি একেটো

দৌৰতে ঘৰ পালেহি। কিন্তু ঘৰ আহি পোৱাৰ পাছত মাক নথকা অৱস্থাত ভায়েক উইবিয়ে নতুনকৈ জন্ম হোৱা কেঁচুৰাটোক মৰম কৰিবলৈ গৈ আঁচোৰা-বাকোটা কৰি থকা দেখিলে, তেতিয়া ক্লাঝে উইবিক আঁতৰাই থৈ নতুন কেঁচুৰাটোক উমলাবলৈ ধৰিলে। এই কাৰ্যত ক্লাঝৰ ভাতৃপ্ৰীতি তথা দায়িত্ববোধ প্ৰকাশ পাইছে। কিন্তু কেঁচুৰা উমলাই নোপোৱা ক্লাঝে যেতিয়া কেঁচুৰাটো উভোটাকৈ ধৰি নিচুকাই থকা মাকে দেখি তাক শাস্তি দিলে, তেতিয়া ভাল কাম কৰি পুৰস্কাৰৰ সলনি কাণমলা খোৱা বাবে ক্লাঝৰ দুখ লাগিছে। বিশেষকৈ মাকৰ বাবে এপ্ৰ'ণ কিনি আনি আচৰিত কৰি মাকৰ পৰা যি প্ৰশংসা পোৱাৰ আশা কৰিছিল, তাৰ সলনি তেনে শাস্তি পোৱা বাবে বেছি দুখ লাগিছে। মাকে আচল কথা জানিব পাৰি যেতিয়া ক্লাঝক মৰম কৰিছে, সেই মৰমৰ মাজত সি এক অতুলনীয় পৰম আনন্দ অনুভৱা কৰিছে, সেইদৰে কোনোবাই দেখিলে লাজ পাব বুলিও সচেতন হৈ আছে। দুঃসাহসী ক্লাঝে নাও ভ্ৰমণত চুলিকোচাত ধৰি দিগ্বিজয়ী বীৰৰ দৰে দৌৰাইছে। বনৰীয়া ঘোঁৰা দৌৰালে যে কি বিপত্তি হব পাৰে সি ভাবিবই পৰা নাছিল।

**জেট্ ছে ঃ**

ক্লাঝতকৈ দুবছৰ সৰু যদিও বেছি উৎপতীয়া, গাঁঠলু আৰু বলী। শিশুৰ সৰলতাৰে সি ভাৱে নতুন কেচুঁৰা উপজিলেই সি বায়েক-ককায়েকহঁতলৈ কিবাকিবি নতুন খোৱাবস্তু লৈ আহে। মাকে খোৱাবস্তু ভগাই দিবলৈ লওঁতে সি থাপ মাৰি নিবলৈ পালেহে শান্তি পায়। সেইদৰে জুক্ৰ পৰিপাটি সি সহিব নোৱাৰে বাবে তাক খাই থকা অৱস্থাত পৰিপাটিতাত ব্যাঘাত জন্মাই খন্তেকৰ বাবে আনন্দ লভিছে। কিন্তু মাকৰ ধমক খাই ঘৰৰ পৰা ৰাস্তালৈ আহি সি কৃতকৰ্মৰ অনুতপ্ত হৈছে। মাকক ভালৰি বোলাবলৈ সি ঘৰলৈ খৰি এবোজা বিচাৰি নিয়াৰ কথা চিন্তা কৰিছে। তাৰ বাবে লাগিলে যিমানেই কষ্ট নহওক। খৰি বিচাৰি সি গাঁৱৰ সীমামূৰীয়া, সাধাৰণতে মানুহ-দুনুহ নোযোৱা ৰজাদিনীয়া দুৰ্গটোলৈও যাবলৈ মন মেলিছে - যিটো দুৰ্গৰ ৰখীয়া লেঙেৰা বুঢ়াটোৱে আগতেও সিহঁতক দুষ্টামিৰ বাবে এশিকনি দি থৈছে। বিহগুটিস্বৰূপ জেট্ ছেই সমনীয়া দুটামান লগ ধৰি তাৰপৰাই খৰি আনিবলৈ ঠিক কৰিলে। খৰি আনিবলৈ গৈ ৰখীয়া বুঢ়াটোৰ মুখামুখি হৈ বাচি আহিবলৈ যি দুঃসাহসিক কাম কৰিছে আৰু বুঢ়াক ফাণ্ডত পেলাই যি ৰং চাইছে তাত শিশু মনস্তত্ব প্ৰকাশ পাইছে লগতে জেট্ ছেৰ অঘাইটং স্বভাৱ ফুটি উঠিছে। একেখিনি ল'ৰাই যেতিয়া সেই উৎপাতৰ সময়তে শিক্ষকৰ মুখামুখি হৈছে, তেতিয়া একান্ত বাধ্য হৈ পৰিছে আৰু বিনা প্ৰতিবাদে শিক্ষকৰ শাস্তি মানি লৈছে। দুষ্টামিৰ বাবে এফালে স্কুলত শিক্ষকে এঘন্টা বেছিকৈ ৰখা শাস্তি আনফালে ঘৰত দেউতাকৰ শাস্তিৰ ভয়, স্কুলত বেছিকৈ থাকিবলগা সময়খিনিত ঘৰত বাকীবোৰে লোভনীয় লুঠুৰি পিঠা খাই শেষ কৰাৰ আশংকা, বাকীবোৰে নিজৰ নিজৰ কাম কৰি মাকৰ পৰা মৰম আদায় কৰাৰ ঈৰ্ষা আদি ভাৱনাবোৰে জেট্ ছেৰ দায়িত্ববোধ বঢ়াই তুলিছে। সেয়ে সি ঘৰখনৰ প্ৰতি কিবা এটা দায়িত্ব পালন কৰিবলৈ গধূলি ঘোপমৰা আন্ধাৰ আৰু বৰফ পৰা ঠাণ্ডাকো নেওচি গড়খাৱৈটোত দিনত গোটাই থোৱা খৰিবোজা আনিবলৈ ঢাপলি মেলিছে। বহু কষ্ট কৰি খৰিবোজা আনি সি কষ্ট অনুভৱ কৰা নাই, তাৰ পৰিৱৰ্তে মাকৰ বাবে কিবা এটা আনিব পৰা আনন্দত মনত শান্তি লভিছে। গধূলি দেউতাকৰ সকিয়নি পাই ভৱিষ্যতে তেনে নকৰাৰ কথা দিছে। কাৰোবাৰ প্ৰতি শ্ৰদ্ধা আৰু ভয় ভাৱ থাকিলেহে দায়িত্ববোধ বাঢ়ে - এই নৈতিক মূল্যবোধ ঔপন্যাসিকে জেট্ছে চৰিত্ৰটোৰ যোগেদিডাঙি ধৰিছে। অঘাইটং যদিও জেট্ছেৰ আনৰ প্ৰতি সহানুভূতি আৰু মৰম নথকা নহয়। নাও ভ্ৰমণত যাওঁতে জেট্ছে ক্লাঝক ঘোঁৰাৰ পিঠিত উঠাই বিপদত পৰা দেখি ককায়েকৰ আসন্ন বিপদৰ কথা চিন্তা কৰি শংকিত হৈছে ।